**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। গোলকীয় বিষয়সমূহে যাতে দেশক অধিক প্ৰভাৱিত কৰিব নোৱাৰে তাৰবাবে অহা ১০ বছৰত ভাৰত অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল হ'ব লাগিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত G-20ৰ কাৰ্যসূচিক ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰ ভাৰসাম্যতাৰ উৎকৃষ্ট উদাহৰণ বুলি অভিহিত কৰিছে।

৩। ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে বিতৰণৰ পূৰ্বে আজি ই ভি এমসমূহৰ পৰীক্ষা অব্যাহত আছে।

৪। দিল্লীৰ এখন আদালতে আজি মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালক ১৫ এপ্ৰিললৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, গোলকীয় বিষয়সমূহে যাতে দেশক অধিক প্ৰভাৱিত কৰিব নোৱাৰে তাৰবাবে অহা ১০ বছৰত ভাৰত অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল হ'ব লাগিব। মুম্বাইত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ বছৰপূৰ্তি উপলক্ষে আয়োজিত সমাৰোহক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ বেংকিং খণ্ডৰ ব্যাপক পৰিৱৰ্তন সাধন হৈছে আৰু ই এটা অধ্যয়নৰ বিষয়বস্তু হৈ পৰিছে। যোৱা দশকটোত কেন্দ্ৰীয় চৰকাৰ আৰু আৰ বি আয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বাবে বেংকিং খণ্ড এতিয়া লাভজনক স্থিতিত উপনীত হৈছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পুনৰ উদ্ধাৰৰ বাবে চৰকাৰে চাৰে ৩ লাখ কোটি টকা বিনিয়োগ কৰিছে। তেওঁ লগতে কয় যে, ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ অ-সম্পাদিত সম্পদৰ পৰিমাণ ২০১৮ চনতকৈ তিনি শতাংশ কমি যোৱা বছৰৰ চেপ্তেম্বৰত ১১ দশমিক ২-৫ শতাংশ হৈছে। শ্ৰী মোদীয়ে কয় যে, যুটীয়া বেলেঞ্চ শ্বীটৰ সমস্যা সম্প্ৰতি পুৰণি বিষয়ত পৰিণত হৈছে আৰু বেংকে সম্প্ৰতি ১৫ শতাংশ ঋণ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। এই সকলো ক্ষেত্ৰতে আৰ বি আয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বিত্ত ৰাজ্য মন্ত্ৰী ভগৱত কিষাণ ৰাও কাৰাড তথা পংকজ চৌধুৰীয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে, ৰিজাৰ্ভ বেংকৰ বিকাশ দেশৰ অৰ্থব্যৱস্থাৰ বিকাশৰ সৈতে ওতপ্ৰোতঃভাৱে জড়িত হৈ আছে।

০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত G-20ৰ কাৰ্যসূচিক ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰভাৰসাম্যতাৰ উদাহৰণ বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীত কালি সভ্যতা ফাউণ্ডেচনৰ দ্বাৰা আয়োজিত **দেলহি হেৰিটেজ** শীৰ্ষক কাৰ্যসূচীত ভাষণ দি ড০ জয়শংকৰে কয় যে, G-20ত আমাৰ অধ্যক্ষতা সমগ্ৰ দেশে উদযাপন কৰিছে। বিভিন্ন দিশৰ পৰা এয়া আছিল আমাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰভাৰসাম্যতাৰ উদাহৰণ, য'ত বিশ্বক নেতৃত্ব দিয়া তথা প্ৰভাৱিত কৰা কেতবোৰ দেশৰ পৰিৱৰ্তে ভাৰতৰ পৰিসৰ ব্যাপক হৈছে। এই ক্ষেত্ৰত ভাৰতৰ ভূমিকা স্পষ্টভাৱে প্ৰতিফলিত হৈছে। তেওঁ লগতে কয় যে, G-20 কাৰ্যসূচীক ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰ ভাৰসাম্যতাৰ পিছত বৰ্তমান সাংস্কৃতিক পুনৰ ভাৰসাম্যতাত গুৰুত্ব দিয়া হৈছে। শ্ৰী জয়শংকৰে কয় যে, ভাৰতৰ বাবে সেয়ে নিজৰ ঐতিহ্য, সভ্যতা, সংস্কৃতি, জীৱনশৈলী, বিশ্বাস আৰু আস্থা আদি প্ৰক্ষেপ কৰাটো অত্যান্ত গুৰুত্বপূৰ্ণ হৈ পৰিছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু পৰম্পৰাগত ৰাজনীতিত ইয়াক কূটনীতিৰ দৰে অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে।

০০০০০০

অসমৰ প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁট, কংগ্ৰেছকে ধৰি বিৰোধী আৰু অন্যান্য প্ৰাৰ্থীসকলে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীত দলৰ হৈ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে এটা চাইকেল ৰেলীত অংশগ্ৰহণ কৰিছে। ইফালে, কংগ্ৰেছৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও প্ৰচাৰ অভিযানত ভাগ লৈছে।

০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে নিৰ্ধাৰণ কৰা অনুসৰি আজি ই ভি এমসমূহ বিতৰণ পূৰ্বে পৰীক্ষা কৰি থকা আছে। এই প্ৰক্ৰিয়াৰ পিছতে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিকেইটাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ই ভি এম, ভি ভি পেট আদি সামগ্ৰীসমূহ বিতৰণ কৰা হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰাৰ্থী আৰু পৰ্যৱেক্ষকৰ উপস্থিতিত ই ভি এম মেছিনসমূহৰ পৰীক্ষা কৰা হ'ব। উল্লেখযোগ্য যে, অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ৫ খন আসনৰ বাবে যোৰহাট, ডিব্ৰুগড়, শোণিতপুৰ, কাজিৰঙা আৰু লখিমপুৰ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০

চত্তিশগড়ৰ ছুকমা জিলাৰ বাষ্টাৰ খণ্ডত আজি নিৰাপত্তাৰে বাহিনীৰে সৈতে হোৱা সংঘৰ্ষত এটা মাওবাদীৰ মৃত্যু হয়। টেটমাৰগু অঞ্চলত কোব্ৰা বেটেলিয়ান আৰু জিলা সংৰক্ষিত নিৰাপত্তা বাহিনীয়ে চলোৱা যুটীয়া অভিযানৰ সময়ত দুই পক্ষৰ মাজত গুলিয়াগুলী আৰম্ভ হয়। ছুকমা জিলাৰ আৰক্ষী অধীক্ষক কিৰণ চৌহানে জনোৱা অনুসৰি গুলিয়াগুলী সংঘটিত অঞ্চলৰ পৰা ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ কৰা হৈছে।

০০০০০০

দিল্লীৰ এখন আদালতে আজি দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালক ১৫ এপ্ৰিললৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। আবকাৰী নীতি কেলেংকাৰী সন্দৰ্ভত সংঘটিত অবৈধ ধনৰ লেন-দেন সংক্ৰান্তীয় গোচৰত তেওঁক বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল। বিধি বলৱৎকাৰী সঞ্চালকালয়ত মুখ্যমন্ত্ৰী কেজৰিৱালৰ জিম্মাৰ ম্যাদ উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁক আদালতত হাজিৰ কৰোৱাৰ পাছত চিবিআইৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ জাৰি কৰে। ইয়াৰ পূৰ্বে যোৱা মাহৰ ২২ তাৰিখে শ্ৰী কেজৰিৱালক ছদিনৰ বাবে আদালতে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত এই ম্যাদ পুনৰ চাৰিদিনলৈ বঢ়াই দিয়া হৈছিল। আপৰ নেতাগৰাকীয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ে জাৰি কৰা ছটাকৈ চমন উপেক্ষা কৰিছিল। এই গোচৰত অভিযুক্ত আম আদমী পাৰ্টিৰ নেতা মণিষ ছিছোদিয়া আৰু সঞ্জয় সিঙো সম্প্ৰতি ন্যায়িক জিম্মাত আছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুই তিনিদিনলৈকে ধুমুহা-বৰষুণৰ লগতে শিলাবৃষ্টিও হ'ব বুলি বিভাগে প্ৰকাশ কৰিছে। হিমালয়ৰ পশ্চিমাঞ্চলত হোৱা বতৰৰ পৰিৱৰ্তনৰ ফলত অহা ৫ এপ্ৰিললৈকে উত্তৰ পূব ভাৰতৰ বতৰ শোচনীয় হৈ থাকিব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে। বিভাগৰ মতে, জম্মু-কাশ্মীৰ, লাডাখ, মুজ্জাফৰবাদ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত বতৰৰ এনে অৱস্থা ৬ এপ্ৰিললৈ চলি থাকিব।

০০০০০০

পশ্চিমবংগৰ জলপাইগুৰি জিলাত যোৱা নিশা অহা ধুমুহা আৰু শিল বৰষুণত চাৰিজন লোক নিহত হোৱাৰ উপৰি শতাধিক লোক আহত হয়। জলাপাইগুৰিৰ লগতে দাঁতিকাষৰীয়া মইনাগুৰিতো এই ধুমুহাত বিস্তৰ ক্ষতি হয়। উত্তৰ বংগৰ বিভিন্ন অঞ্চলত বহু সংখ্যক বাসগৃহ বিধবস্ত হোৱাৰ লগতে আৰু গছ-গছনি উভালি পৰে। কালি আবেলিৰ পৰা হোৱা বতৰৰ ভয়াবহ অৱনতিৰ ফলত উত্তৰ পূব ভাৰতৰ বহু অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। মুযলধাৰ বৃষ্টিপাতৰ ফলত অসমৰ বৰঝাৰ বিমান বন্দৰৰ ছিলিং খহি লাউঞ্জৰ ভিতৰত পানী সোমায়। বতৰৰ শোচনীয় অৱস্থাৰ বাবে কালি বৰঝাৰ বিমান বন্দৰত কেইবাখনো বিমানৰ যাত্ৰাত ব্যাঘাত জন্মে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাযোগে জলপাইগুৰি অঞ্চলত ধুমুহাত নিহত হোৱাসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। পশ্চিমবংগৰ জলপাইগুৰি-মইনাগুৰি অঞ্চলৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে মন্তব্য কৰাৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ধুমুহাত ক্ষতিগ্ৰস্তসকলৰ প্ৰতি উপযুক্ত সাহায্য প্ৰদানৰ বিষয়টো সুনিশ্চিত কৰিবলৈ তেওঁ ইতিমধ্যে সংশ্লিষ্ট সকলৈ নিৰ্দেশ দিছে।

সামাজিক মাধ্যমৰ আন এটা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিম বংগ, অসম আৰু মণিপুৰত ধুমুহাৰ বাবে হোৱা ভয়ংকৰ ক্ষতিৰ বাবে উদ্বেগ প্ৰকাশ কৰে। সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে কথা পাতি সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰাৰ লগতে তেওঁ নিহতসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা বিশাখাপট্টনমৰ ৱাই এছ ৰাজাশেখৰ ৰেড্ডী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে চেন্নাই ছুপাৰ কিংছক ২০ ৰানত পৰাজিত কৰে। দেলহি কেপিটেলছে নিৰ্ধাৰণ কৰি দিয়া ১৯২ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰানহে কৰিবলৈ সমৰ্থ হয়। চেন্নাই ছুপাৰ কিংছৰ হৈ আজিংক্য ৰাহানেই সৰ্বাধিক ৪৫ ৰান কৰাৰ বিপৰীতে এম এছ ধোনীয়ে ৩৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। দেলহি কেপিটেলছৰ হৈ মুকেশ কুমাৰে ৩টা উইকেট দখল কৰাৰ বিপৰীতে খলিল আহমেদে ৪ অভাৰত ২১ ৰান দি ২টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে দেলহি কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। দলৰ হৈ ডেভিদ ৱাৰ্নাৰে সৰ্বাধিক ৫২ ৰান কৰাৰ লগতে অধিনায়ক ঋষভ পন্তে ৫১ ৰান কৰে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত কালি নিশা অনুষ্ঠিত মিয়ামী অ'পেন টুৰ্ণামেণ্টৰ পুৰুষৰ ছিংগলছ প্ৰতিযোগিতাত ইটালীৰ জানিক ছিনাৰে জয়লাভ কৰিছে। ইতিপূৰ্বে ৬-৩ ব্যৱধানত দ্বিতীয় স্থানত থকা ছিনাৰে একাদশ স্থানৰ বুলগেৰিয়াৰ খেলুৱৈ গ্ৰীগৰ ডিমিট্ৰীভক ৬-১ ব্যৱধানত পৰাজিত কৰে।

০০০০০০

ঃসমাপ্তঃ